# ECHO OF HIS CALL

ASSAMESE

## তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি

*India's National Spiritual Newspaper*

₹ 10/-

ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE

REACHING NATIONS

Published monthly in ENGLISH, TAMIL, MALAYALAM, TELUGU, HINDI, KANNADA, MARATHI, BENGALI, GUJARATI, ODIYA, ASSAMESE, PUNJABI, NEPALI, URDU, SINHALA & AFRIKAN

Editor : S. SAM SELVA RAJ | 16 Languages | Associate Editor : Sis. BORNALI THAPA RAJ

**Vol. XXIV** YEAR OF OUR LORD JESUS CHRIST, 2024 JUNE **No. 12**


## পবিত্ৰ বাইবেল

এই অংশটি অনুগ্ৰহ কৰি মুখস্থ কৰক

প্ৰভূৰ প্ৰশংসা হওঁক !

**হিতোপদেশ ২১ ঃ ১-১০**

১। ৰজাৰ হৃদয় যিহোৱাৰ হাতৰ পৰা বৈ থকা পানীৰ দৰে; তেওঁ এই পানী যি দিশলৈ ইচ্ছা কৰে, সেই দিশলৈ বোৱায়।

২। সকলো মানুহৰ পথ তেওঁৰ নিজৰ দৃষ্টিত ন্যায়; কিন্তু যিহোৱাই হৃদয় জোখে।

৩। যি সত্য আৰু ন্যায়, এনে কাৰ্য কৰা; বলিদানতকৈ এই কাৰ্যসমূহ যিহোৱাৰ গ্ৰহণীয়।

৪। অহংকাৰী দৃষ্টি আৰু দাম্ভিক হৃদয়; দুষ্ট লোকৰ প্ৰদীপ পাপেৰে পৰিপূৰ্ণ।

৫। পৰিশ্ৰমী লোকৰ কল্পনাই কেৱল উন্নতিলৈ লৈ যায়; কিন্তু যিসকলে খৰকৈ কাৰ্য কৰে, তেওঁলোকলৈ কেৱল দৰিদ্ৰতা আহে।

৬। মিছলীয়া জিভাৰ দ্বাৰাই অৰ্জন কৰা ধন-সম্পত্তি অস্থায়ী ভাপ, সেইবোৰ মৃত্যু বিচাৰে।

৭। দুষ্ট লোকৰ অত্যাচাৰে তেওঁলোকক দূৰ কৰিব; কাৰণ তেওঁলোকে ন্যায় পথত চলিবলৈ অসন্মত হয়।

৮। অপৰাধীৰ পথ কুটিল হয়; কিন্তু যিজন শুদ্ধ, তেওঁ সৎ কাৰ্য কৰে।

৯। দন্দুৰী স্বভাৱৰ ভাৰ্যাৰ সৈতে ঘৰত বাস কৰাতকৈ; ঘৰৰ চালৰ এচুকত বাস কৰাই ভাল।

১০। দুষ্ট লোকৰ আত্মাই পাপ আকাংক্ষা কৰে; আৰু তেওঁৰ পৰা তেওঁৰ চুবুৰীয়াই কৃপা দৃষ্টি নাপায়।

## প্ৰভূক ইয়াৰ প্ৰয়োজন আছে (আপোনাক)! THE LORD NEEDS YOU!

**সন্মানীয় প্ৰধান সম্পাদক, ৰেভা ঃ এঞ্জলীন ছেলভা কুমাৰী**

শুভেচ্ছা জনালো !



মই বিশ্বাস কৰিব পৰা নাই যে আমি ইমান সোনকালে ২০২৪ বৰ্ষৰ আধাটো ইতিমধ্যে সম্পূৰ্ণ কৰি আছো সময় অতি বেগেৰে গুচি যায়, মই ভাবো যে সেই গতিকে বাইবেলে আমাক শিক্ষা দিয়ে যে আমি সময়ক বিবেচনাৰে ব্যৱহাৰ কৰিব লাগে। আপোনাৰ সময়ক সদব্যৱহাৰ কৰিব ইফিচীয়া ৫ঃ১৬, (বিস্তাৰক বৰ্ণনা কৰা হ'ব)। যীচু খ্ৰীষ্টৰ দৰে কোনেও সময়ক ভালকৈ নাজানে। তেওঁ জানে কেতিয়া ইয়াক জ্ঞাপন ৰাখিব লাগে আৰু জগতলৈ তেওঁৰ পুনৰ আগমণৰ উদ্দেশ্যৰ বিষয়ে কেতিয়া জনাব লাগে তাকো তেওঁ জানে।

মাৰ্ক ১১ অধ্যায়ত যীচু খ্ৰীষ্টই যিৰূচালেমত প্ৰৱেশ কৰাটো এক উল্লেখনীয় ঘটনা আছিল। তেতিয়ালৈকে যীচু খ্ৰীষ্টই খোলাখুলিকৈ কোৱা নাছিল যে তেওঁৱেই মচীহা হয়। কিন্তু যেতিয়া তেওঁ গাধত উঠি যিৰূচালেমত প্ৰৱেশ কৰিছিল তেতিয়া তেওঁ খোলাখুলিকৈ ঘোষণা কৰি কৈছিল যে তেওঁ মচীহা হয় আৰু জখৰীয়া ৯ঃ৯ ৰ ভৱিষ্যৎৱাণী পৰিপূৰ্ণ কৰিছে।




ইখ অফ হীজ কল ৫ মিনিট বাৰ্তা

ইউ টিউব খ্ৰীষ্টিয়ান চেনেল

পালক, এচ, চাম, ছেলভা ৰাজৰ সৈতে প্ৰাৰ্থনা কৰিবলৈ আপুনি এটা সুযোগ পাব।

ইংৰাজী, হিন্দী, তামিল আৰু তেলেগু

প্ৰত্যেক দিনে পুৱা ২ বজাত

তামিল দেওবৰীয়া উপাসনা পুৱা ৮-৩০ বজাত

# তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি (১৯৬৯ - ২০১৯ - সোণালী জয়ন্তী বৰ্ষ)



## আপোনালোকৰ প্ৰিয় ভাইজনৰ পৰা ...

REACHING NATIONS



**আমাৰ মিশ্বন নীতি**

আমি এই সমকালীন বংশলৈ পৌৰাণিক আৰু প্ৰথম শতিকাৰ পাঁচনিসকলৰ স্পষ্ট শিক্ষাবোৰক বিস্তাৰ কৰা আৰু শিক্ষা দিয়া উচিত। এইটোৱেই আজিৰ প্ৰয়োজন।

HON. EDITOR-IN-CHIEF
Rev. Angeline S. Kumari, M.A., M.Sc., M.Ed.
HON. MANAGING EDITOR
Pastor Alex Samson Sam, B.Th., M.Div.
GENERAL MANAGER
Bro. N. Prakasam, M.A., M.Sc.(C&P), PGDHRM., MBA.
ADMINISTRATION
Sis. Jesy Veena Sam
Adv. K. Puratchivendan, M.Com., C.A., B.L.
Dr. P.E.R. Premchand, M.Sc., M.A., M.Ed., Ph.D.
Dr. C.G.S. Baburao, B.Tech., M.Tech. (DM), Ph.D.
Dr. Rabinder Boaz, M.S. (CMC)
EDITORIAL BOARD
Dr. Serena Bevin, M.A., M.Phil., B.Ed.
Sis. Sajini Cherian
Sis. L. Mariya Anjalin, M.A., M.Sc., B.Ed.
Rev. Dr. K.R. Rajasekaran

EDITOR, PUBLISHER & PRINTER
Pastor S. SAM SELVA RAJ
Echo of His Call Printers
10, Mohammed Abdullah 2nd Street,
Chepauk, Chennai- 600 005, India.
Phone : (+ 91- 44) 2852 8282, 2852 9293, 2854 7766
Cell : (+91) 98410 71852, 98412 71858
95661 31858
E.MAIL
sam@echoofhiscall.org
biblecor@yahoo.co.in
WEBSITES
www.echoofhiscall.org
www.stpaulsmatriculation.com
YOUTUBE CHANNEL
Echo of His Call

**যিহোৱাৰ গৌৰৱ অনন্তকাল থাকক; যিহোৱাই নিজ কাৰ্যবোৰত আনন্দ কৰক।**
গীতমালা ১০৪:৩১

খ্ৰীষ্টত মোৰ বন্ধুসকল!

আমাৰ প্ৰভূ আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্টৰ আচৰিত নামত শুভেচ্ছা জনাইছো!

আপোনালোক জ্ঞাত হৈ আছে যে, এইবাৰ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীসকলৰ ১ জুন ২০২৪ তাৰিখে গ্ৰেডুৱেশ্বন কাৰ্যসূচী শেষ হোৱাৰ পাছত ১ জুন ২০২৪ তাৰিখে আমাৰ চেপাকত থকা নহিমিয়া বাইবেল কলেজ (তামিল মাধ্যমত), চান্তচাপুৰামত (তামিল মাধ্যমত) আৰু ভেলাচেৰীত (বাসগৃহ, হিন্দী মাধ্যমত) পুনৰ মুকলি কৰিবলৈ আমি ব্যস্ত হৈ আছো। অনুগ্ৰহ কৰি ইয়াৰ বাবে প্ৰাৰ্থনা কৰক।

আমাৰ নহিমিয়া বাইবেল কলেজত হিন্দী মাধ্যমত এম.ডিভ বা এম.টি.এইচ পঢ়া শিক্ষকৰ প্ৰয়োজন হৈছে, লগতে হিন্দী মাধ্যমৰ বাবে আৰু অধিক ছাত্ৰ-ছাত্ৰীৰো প্ৰয়োজন হৈছে।

আমাৰ ইংৰাজী মাধ্যম স্কুল চেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ বাবে যথেষ্ট সংখ্যাৰ ছাত্ৰ-ছাত্ৰীক পাবলৈ অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক। আমি ভাল আত্মিক চলাওঁতাসকলক গঢ়ি তুলিবলৈ চেষ্টা কৰি আছো যাতে তেওঁলোকে শুভবাৰ্তা নোপোৱা ঠাইসমূহত মণ্ডলী স্থাপন কৰিব। ইয়াৰ বাবেও আপোনালোকৰ প্ৰাৰ্থনাৰ প্ৰয়োজন হৈছে।

সময় যোৱাৰ লগতে আমাৰ প্ৰভূৰ কাৰ্যৰ অগ্ৰগতি হোৱাৰ সময়ত, আমি আত্মিক যুদ্ধৰ সন্মুখীন হৈ আছো। আমাৰ কৰ্মীসকলৰ বা তেওঁলোকৰ পৰিয়ালৰ সদস্যসকল বিষম ৰোগত ভূগি আছে গতিকে তেওঁলোকে তেওঁলোকৰ পৰিচৰ্যাত মনোযোগ দিয়াত অসুবিধা পাইছে।

অনুগ্ৰহ কৰি আপোনালোকৰ প্ৰাৰ্থনা আৰু স্বইচ্ছাৰ দান-বৰঙনিৰে আমাক সহায় কৰক। আৰ্থিক অভাৱ হোৱা বাবে আমি আমাৰ কৰ্মীসকলৰ বহুতকে আমাৰ সহায় আৰু দৰমহা দিয়াত অসমৰ্থ হৈছো। আমি আমাৰ প্ৰয়োজন বিষয়সমূহৰ বাবে প্ৰভূযীচু খ্ৰীষ্টৰ চকুলৈ আন্তৰিকভাৱে চাই আছো।

আমি আপোনালোকৰ বাবে প্ৰাৰ্থনা কৰি আছো।

খ্ৰীষ্ট যীচুত আপোনাৰ সেৱক,

পালক এলেক্স চামচন চাম আৰু
এচ, চাম ছেলভা ৰাজ

(+91) 98412 71858 / 98410 71858, Email : sam@echoofhiscall.org

**পাছত তেওঁলোকে সেই গাধ পোৱালিটো যীচুৰ ওচৰলৈ আনিলে আৰু তাৰ ওপৰত তেওঁলোকৰ কাপোৰ পাৰি দিলে। পাছত তাৰ ওপৰত তেওঁ বহিল। অনেকে নিজৰ নিজৰ কাপোৰবোৰ পথত পাৰি দিলে আৰু কিছুমানে পথাৰৰ পৰা পাত কাটি আনি পথত পাৰি দিলে**

(মাৰ্ক ১১:৭-৮)।



**উৰ্দ্ধলোকত ঈশ্বৰৰ মহিমা হওঁক!**

Our Ministries: ECHO OF HIS CALL Monthly Magazines (16 languages) BIBLECOR - Postal Courses (3 languages) YouTube Ministry Online Courses Theological Correspondence Courses (2 languages) Church Planting Nehemiah Bible Colleges Gospel Printing Press Great Commission Partners St. Paul's Matriculation School Crusades Community Development

**মনোযোগ দিয়ক ঃ তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পঢ়োঁৱৈসকল**

তামিল, তেলেগু, ইংৰাজী আৰু হিন্দী ভাষাত (প্ৰতিদিনে) আমাৰ ৫ মিনিট তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ ইউটিউব বাৰ্ত্তাসমূহ শুনি আপুনি ঈশ্বৰৰ অনুগ্ৰহক গ্ৰহণ কৰিব পাৰিব। মোৰ মোবাইল নম্বৰ কেইটাক চেভ কৰি লওক (+91)9841071858, (+91)9841271858 (ব্যক্তিগত)।

*- পালক এচ, চাম ছেলভা ৰাজ*

যীচু খ্ৰীষ্টই স্পষ্টভাৱে জানিছিল যে তেওঁলৈ কি ঘটিবলৈ আছে, তথাপি তেওঁ সেই যাত্ৰাক সম্পূৰ্ণ কৰিলে কিয়নো তেওঁ জানিছিল যে সেইটোৱেই সঠিক সময় আছিল। যেতিয়া যীচুৱে জয়ধ্বনি, গীত আৰু প্ৰশংসাবোৰ শুনি আছিল, তেওঁ জানিছিল যে কেইদিন মানৱ পাছত তেওঁক অপমানিত কৰা হ'ব, নিৰ্বস্ত্ৰ কৰা হ'ব, থু পেলোৱা হ'ব, বেত্ৰাঘাত কৰা হ'ব আৰু ক্ৰুচত দিয়া হ'ব। কিয়নো তেওঁ জানিছিল যে ক্ৰুচত তেওঁৰ মৃত্যুৱে পাছৰ আটাইবংশলৈ আশীৰ্বাদ কঢ়িয়াই আনিব। তেওঁৰ ভগ্নতাই আটাই মানৱজাতিলৈ মুক্তি দিব।

মই যেতিয়া মাৰ্ক ১১ অধ্যায় পঢ়ি আছিলো, তিনিটা খণ্ডবাক্যই মোৰ মনোযোগক স্পৰ্শ কৰিলেঃ

**"তেওঁ তেওঁলোকক ক'লে, তোমালোক সন্মুখৰ গাঁওখনলৈ যোৱা, তাত তোমালোকে সোমাওতেই কোনো মানুহে কেতিয়াও নুঠা এটা গাধ পোৱালি বান্ধি থোৱা দেখিবা, সেই পোৱালিটো মোৰ বাবে আনাগৈ" (মাৰ্ক ১১ঃ২)।**



**শিষ্যবিলাকে এজনী গাধী পোৱালীক বান্ধি থোৱা পালে!**

১। বিচাৰিবা!
২। মেলিবা!
৩। আনিবা!

## ১। বিচাৰিবা!

যীচু খ্ৰীষ্টই এটা গাধ পোৱালি বিচাৰিবলৈ দুজন শিষ্যক পঠাইছিল, গাধ শান্তিৰ প্ৰতীক হয়, যেনে চলোমনে মিচৰৰ পৰা ঘোৰাক যুদ্ধৰ প্ৰতীক বুলি পৰিচয় কৰাইছিল সেইদৰে গাধক নম্ৰতাৰ প্ৰতীক বুলি ক'ব পাৰি আৰু যিয়ে গধুৰ বোজা কঢ়িয়াই লৈ যাব পাৰে। দেখিবলৈ বৰ আকৰ্ষনীয় নহয়, কিন্তু যিহূদীসকলে খেতিত আৰু মিলত ইয়াক বহুত ব্যৱহাৰ কৰে।

যীচু খ্ৰীষ্টই শিষ্যবিলাকক গাধ বিচাৰি আনিবলৈ আদেশ দিছিল।

ঈশ্বৰে এতিয়াও গাধবিলাকক বিচৰাত লাগি আছে (মোক আৰু আপোনাক)। তেওঁ এতিয়াও তেওঁক, তেওঁৰ বাক্যকো আৰু তেওঁৰ উদ্দেশ্যক কোনোবা কঢ়িয়াই লৈ যাব বুলি চাই আছে। তেওঁ গুৰুত্বপূৰ্ণভাৱে কৰোবালৈ চাই আছে যিজনে প্ৰভুৰ দ্বাৰাই ব্যৱহাৰিত হ'বলৈ আৰু সময় দিব পাৰিব। তেওঁ এজন ব্যস্ত মানৰ সম্পদ ব্যৱস্থাপক হয়।

যেতিয়া শিষ্যসকলে এটা গাধ বিচাৰি গৈছিল, তেওঁলোকে গাধ বিচাৰি পাইছিল কিন্তু ঃ

❖ দৰ্জাৰ সৈতে বন্ধা অৱস্থাত পাইছিল।
❖ য'ত দুটা পথ মিলিত হয়। (চৌৰাস্তাত)

আমি ২০২৪ বৰ্ষত আছো, আমি বন্ধা হৈ আছো- আপুনি কিয় বাইবেল ক্লাচলৈ নাহিল? "পালক মই কামত বান্ধ খাই আছিলো।" যোৱা সপ্তাহত মই আপোনাক গীৰ্জাত নেদেখিলো। "ক্ষমা কৰিব পালক মই মোৰ ব্যক্তিগত কাম বা পাৰিবাৰিক দায়িত্বিলাকত ব্যস্ত হৈ আছিলো।" আপুনি কিয় আৰাধনা অনুশীলনত নাহিল? "ক্ষমা কৰিব, মই মোৰ পাঠ্যক্ৰমৰ কামত ব্যস্ত হৈ আছিলো।" অনুগ্ৰহ কৰি মোক ভুল নুবুজিব, এই সকলোবিলাক গুৰুত্বপূৰ্ণ কাম হয় কিন্তু আমি কি বুজাটো দৰকাৰ যে চয়তান কিদৰে আমাক ব্যস্ত কৰি ৰাখে কামত, পৰিয়ালত, সম্পৰ্কত, শিক্ষাত আৰু ধন উপাৰ্জনত ব্যস্ত কৰি ৰাখে।

মানুহে ভাবে যে যিমান তেওঁলোকে ধন উপাৰ্জন কৰিব সিমানেই ধন জমা কৰি ৰাখিব পাৰিব। নহয় এইটো সম্পূৰ্ণ মূৰ্খতা, যিমানেই আমি উপাৰ্জন কৰো সিমানেই খৰচ বাঢ়ি যায়। কেতিয়াবা মানুহে অনেক বস্তুবোৰ কিনে আৰু তাৰ ধাৰবোৰো মাৰিবলৈ অতিৰিক্ত প্ৰৰিশ্ৰম কৰে ইমানেই ব্যস্ত হৈ পৰে যে তেওঁলোকে কিনা বস্তুবোৰকো উপভোগ কৰিবলৈ সময় নাপায়।

ঈশ্বৰে তেওঁক কঢ়িওৱা মানুহ বিচাৰি থাকে কিন্তু তেওঁ মানুহক দৰ্জাত বান্ধ খাই থকা দেখে আৰু সেইটো হৈছে পৰিশ্ৰমৰ দৰ্জা, গৃহ নিৰ্মাণত ব্যস্তৰ দৰ্জাত, তেওঁলোকৰ সাম্ৰাজ্য নিৰ্মাণৰ দৰ্জা আৰু সীমা ডাঙৰ কৰা দৰ্জা।

আপুনি জানেনে যে ব্যস্ত মানে কি বুজায়? চয়তানৰ যুঁৱলিৰ অধীনত থকা। সি আমাক একেৰাহে ব্যস্ত কৰি ৰাখে।

**ব্য - চয়তানৰ যুঁৱলিৰ**
**স্ত - অধীনত থকা**

ইমানেই ব্যস্ততাত ৰাখে যে আমাৰ প্ৰাৰ্থনা কৰিবলৈ বাইবেল অধ্যয়ন কৰিবলৈ, উপবাস কৰিবলৈ ধ্যান কৰিবলৈ, সহভাগিতা ৰাখিবলৈ আৰু উপাসনালৈ যাবলৈ সময় নাথাকে।

**ঈশ্বৰে আমাক চয়তানৰ যুৰঁলিৰ অধীনৰ পৰা ওলাই অহাত সহায় কৰক যি যুৰঁলি অতি গধুৰ আৰু ভাৰাক্ৰান্ত হয়,**



**যীচু খ্ৰীষ্টই আপোনাৰ যত্ন লয়!**

**আৰু ত্ৰাণকৰ্তাৰ যুৰঁলিৰ অধীনত আহক। তেওঁৰ যুৰঁলি পাতল আৰু সহজ হয় (মথি ১১ঃ২৮-৩০)।**

যদি আমি ত্ৰাণকৰ্তাৰ যুৰঁলিৰ অধীনত নাথাকো, তেন্তে আমি চয়তানৰ যুৰঁলিৰ অধীনত থাকি যাম। তেতিয়া আমি আমাৰ পৰিয়ালৰ বাবে, ঈশ্বৰৰ সৈতে আমাৰ ব্যক্তিগত সম্পৰ্ক আমাৰ অঙ্গীকাৰসমূহৰ বাবে সময় নপাম। আমি একেবাৰে ঈশ্বৰৰ ইচ্ছা বা উদ্দেশ্যৰ বাহিৰত থাকিম। বাচি ল'বলৈ এইটো ৰেই সঠিক সময়।

হ'ব পাৰে আপুনি চৌৰাস্তাত আছে, মন খেলিমেলি আৰু বিভ্ৰান্তকৰত আছে। সকলো দিশত হয়তো আপুনি পাছফালে টান খাই আছে আৰু আপুনি সিদ্ধান্ত ল'বলৈ পৰা নাই। যীচু খ্ৰীষ্টৰ হাতত নিজকে শোধাই দিয়ক যিজনে ক্ৰুচত আপোনাৰ বাবে নিজ প্ৰাণ দিলে, যিজনে আমাৰ সকলো বেদনা, চিন্তা, ব্যৰ্থতা, অভিশাপবোৰ আৰু শাস্তিবোৰক ল'লে। তেওঁ আমাৰ পথবোৰক পোন আৰু স্পষ্ট কৰিব পাৰে।

বা আপুনি ক'ব পাৰে, "আপুনি জানেনে মই শিশুকালৰ পৰা প্ৰভুৰ সেৱা কৰি আছো। চোৰা মোলৈ কি ঘটি আছে ;মই ইয়াৰ যোগ্য নহয়। মই ঈশ্বৰৰ ওচৰলৈ আহিবলৈ নিবিচাৰো; মই তেওঁৰ ওচৰলৈ আহি আঘাত পোৱাতকৈ মই বৰং তেওঁৰ পৰা দূৰত থকাটো বিচাৰো। আমি ঈশ্বৰকো বিচাৰো আৰু জগতকো বিচাৰো। মই তেওঁক দূৰৰ পৰা অনুসৰণ কৰিবলৈ বিচাৰো।

**আতৰৰ পৰা!**

বাইবেলে এনে এজন ব্যক্তিৰ বৰ্ণনা লিপিবদ্ধ কৰে যিজনে যীচু খ্ৰীষ্টক আতৰৰ পৰা অনুসৰণ কৰিছিল আৰু পৰৱৰ্তী ঘটনা যি ঘটিছে



**পীতৰে আতৰৰ পৰা তেওঁক অনুসৰণ কৰিছে**

তাক ব্যাখ্যা কৰে। আতৰৰ পৰা যীচু খ্ৰীষ্টক অনুসৰণ কৰাটো এটা বিপদজনক কাৰ্য্য, এইদৰে আপুনি আপোনাৰ বিশ্বাসক বিশ্বাসঘাত কৰিলে, আপুনি শীঘ্ৰেই নিজকে বিচাৰি পাব বা আপুনি ইতিমধ্যে ঈশ্বৰৰ পৰা দূৰলৈ যোৱাৰ পথত আছে। আপুনি কি অনুমান কৰিব পাৰিবনে কোনে যীচু খ্ৰীষ্টক আতৰৰ পৰা অনুসৰন কৰিছিল? হয়, পিতৰে! কিন্তু পিতৰে আতৰে আতৰে তেওঁৰ পাছে পাছে গৈছিল...(মথি ২৬ঃ৫৮)।

আতৰে আতৰে অনুসৰন কৰাটো এটা ব্যৰ্থ প্ৰস্তুতি। যদি আপুনি আতৰৰ পৰা যীচু খ্ৰীষ্টক অনুসৰন কৰি আছে আপুনি এটা সিদ্ধান্ত ল'ব লাগিব কাৰণ আপুনি ৰাস্তাৰ পাকটোত আছে। যীচু খ্ৰীষ্টই কয়, "মই তোমাক চাই আছো"।

আপুনি যলৈকে নাযাওক কিয় তেওঁ আপোনাক বিচাৰি উলিয়াব!

## ২) তাক মেলিবা!



যেতিয়া শিষ্যবিলাকে গাধটোক বিচাৰি গৈছিল, তেওঁলোকে তাক ৰাস্তাৰ পাকত থিয় হৈ থকা পালে, বন্ধাও আছিল!

আমাৰ ঈশ্বৰ এজন ভদ্ৰ ঈশ্বৰ হয়; কাৰোবাৰ ওপৰত তেওঁ হেঁচা নিদিয়ে। আমাৰ বাবে তেওঁৰ প্ৰেম ইমানেই আছে তেওঁ অপব্যয়ী পুত্ৰৰ পিতৃৰ দৰে অপেক্ষা কৰিব, যিজনে তেওঁৰ ঘূৰি অহালৈ প্ৰতি দিনে অপেক্ষা কৰি আছিল। আমাৰ পিতৃ ঈশ্বৰৰ প্ৰেম এনেকুৱা! তেওঁ এতিয়াও আমাৰ বাবে অপেক্ষা কৰি আছে।

প্ৰিয় ভাই আৰু ভণ্টীসকল, ঈশ্বৰে আপোনাক মুক্তি দিব বিচাৰে! আপুনি কিহত বান্ধ খাই আছে?

আমাৰ কিছুমানে মুক্ত হ'ব নিবিচাৰে কিয়নো আমাৰ মনবোৰ আৰু হৃদয়বোৰ ইটো সিটোৰ লগত নিমিলে। আমি কওঁ, "হে ঈশ্বৰ, তোমাৰ ইচ্ছা পূৰ্ণ হওক" কিন্তু পুনৰ আমি কও, "হে ঈশ্বৰ, মোৰ হৃদয়ৰ বাঞ্ছা পূৰ্ণ কৰা"। এই অমিলতাই আমাৰ খ্ৰীষ্টিয়ান জীৱনক পিছলৈ ঠেলি দিয়ে। তেওঁ আমাৰ বাবে যি পৰিকল্পনা কৰিছে তাৰ ফালে আমি আগবাঢ়ি যোৱাটোকে তেওঁ বিচাৰে।

আপুনি ঈশ্বৰৰ পৰিচৰ্য্যা কৰিব বিচাৰিছে আৰু তেওঁক সন্তোষ দিয়া জীৱন

*....Contd. to page 6*

RESIDENTIAL BIBLE COURSE
NEHEMIAH BIBLE COLLEGE, Chennai.

Medium : Hindi

Recognised by International Christian Leaders & Senior Pastors for the past 54 years

Rush for Admission!

Certificate in Ministry
Diploma in Theology

Qualification : 10th Standard & above

Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

✶ ONLINE CLASSES ARE AVAILABLE ✶

GREAT COMMISSION PARTNERS
ECHO OF HIS CALL MINISTRIES
SINCE 1969

# প্ৰধান আজ্ঞাৰ অংশীদাৰসকল

**বিলোৱা** (গালাতীয়া ৬ঃ২),
**সমৰ্থন আগবঢ়োৱা** (ৰোমীয়া ১২ঃ১৩) আৰু
**আগবাঢ়ি যোৱা** (২ তীমথিয় ১ ঃ ৬)

## প্ৰাৰ্থনাৰ অনুৰোধবোৰ

(অনুগ্ৰহ কৰি এই তালিকাখনি উলিয়াওক, ভাজ কৰক আৰু ইয়াক আপোনাৰ বাইবেলখনৰ ভিতৰত ৰাখক আৰু নিয়মীয়াকৈ প্ৰাৰ্থনা কৰক)



**২০২৪ চনৰ ১৯ জুনৰ পৰা ২০২৪ চনৰ ১৮ জুলাইলৈ**

## ঈশ্বৰলৈ প্ৰশংসাৰ বিষয়সমূহ ...

জুন ১৯ - ১৯৬৯ চনৰ পৰা আমাৰ আলোচনী পৰিচৰ্যালৈ তেওঁৰ আশীৰ্বাদৰ বাবে।

জুন ২০ - বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ বাবে ছাত্ৰ-ছাত্ৰীসকললৈ আমাৰ প্ৰয়াসৰ ওপৰত আশীৰ্বাদৰ বাবে।

জুন ২১ - ২০২৪ চনৰ ১ জুনত নহিমিয়া বাইবেল কলেজৰ গ্ৰেডুৱেশ্বন কাৰ্যসূচীখন আচৰিতভাৱে অনুষ্ঠিত হোৱাত আশীৰ্বাদৰ বাবে।

জুন ২২ - আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল আৰু ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলখনৰ ২০২৩-২৪ শিক্ষাবৰ্ষ কৃতকাৰ্যতাৰে সম্পূৰ্ণ হোৱাত আশীৰ্বাদৰ বাবে।

জুন ২৩ - তামিল, তেলুগু, ইংৰাজী আৰু হিন্দী ভাষাত আমাৰ ইউ-টিউব চেনেলত ঈশ্বৰৰ আশীৰ্বাদৰ বাবে।

জুন ২৪ - আমাৰ কেন্দ্ৰ মণ্ডলী আৰু শাখা মণ্ডলী সমূহত গ্ৰীষ্মকালীন বাইবেল স্কুলৰ আয়োজন কৰাত আশীৰ্বাদৰ বাবে।

জুন ২৫ - আমাৰ প্ৰাৰ্থনা অংশীদাৰসকল, চাবস্ক্ৰাইবিং অংশীদাৰসকল, বিশ্বাস অংশীদাৰসকল আৰু মহান আজ্ঞা অংশীদাৰসকলৰ লগতে তেওঁলোকৰ পৰিয়ালবৰ্গলৈ তেওঁৰ দয়াৰ আলিঙ্গন বিস্তাৰ হোৱাৰ বাবে।

জুন ২৬ - আমাৰ যুৱ আৰু শিশুসকলৰ যত্ন পৰিচৰ্য্যাৰ বাবে বিশ্বব্যাপী দৃষ্টিৰ ওপৰত তেওঁৰ আশীৰ্বাদৰ বাবে আৰু আমি প্ৰতিদিনে নিশা ১০.০০ বজাত বিশেষভাৱে বিশ্বব্যাপী যুৱ আৰু শিশুসকলৰ বাবে প্ৰাৰ্থনা কৰি আছো।

জুন ২৭ - আজি পৰ্য্যন্ত আমাৰ অনুষ্ঠানটিক চলোৱাত আশীৰ্বাদ কৰাৰ বাবে।

জুন ২৮ - আমাৰ শুভাকাঙ্খীৰ বাবে প্ৰাৰ্থনা আৰু আৰ্থিক সহায়ৰ বাবে।

জুন ২৯ - যোৱা ১৩ মে', ২০২৪ তাৰিখে আমাৰ নহিমিয়া বাইবেল কলেজৰ প্ৰাক্তন ছাত্ৰ-ছাত্ৰীসকলৰ সভাত তেওঁৰ আশীৰ্বাদৰ বাবে।

জুন ৩০ - আমাৰ জেষ্ঠ পালক আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দ শক্তিৰ পৰা ৰক্ষা কৰি থকাৰ বাবে।

জুলাই ০১ - তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ আলোচনী পৰিচৰ্যালৈ সমৰ্পিত সহকাৰী সম্পাদকসকলৰ ওপৰত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

জুলাই ০২ - আমাৰ ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল, নহিমিয়া বাইবেল কলেজ আৰু বাইবেল যোগাযোগ পাঠ্যক্ৰমৰ ওপৰত তেওঁৰ আশীৰ্বাদ থকাৰ বাবে।

জুলাই ০৩ - আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ কৰ্মীসকল আৰু তেওঁলোকৰ পৰিয়ালবৰ্গৰ ওপৰত নিৰাপত্তা

## অনুগ্ৰহ কৰি প্ৰাৰ্থনা কৰক...

জুলাই ০৪ - আমাৰ তেওঁৰ আহবানৰ প্ৰতিধ্বনিৰ পৰিচৰ্যাসমূহৰ আৰু অধিক সমৰ্পিত কৰ্মীক ঈশ্বৰে যোগাবলৈ।

জুলাই ০৫ - বিশ্বব্যাপী গৃষ্মকালীন বাইবেল স্কুলৰ যোগেদি ৰক্ষা পোৱা যুৱ আৰু শিশুসকলৰ বাবে।

জুলাই ০৬ - আমাৰ বাসগৃহ আৰু সন্ধ্যা নহিমিয়া বাইবেল কলেজৰ ২০২৪-২৫ শিক্ষাবৰ্ষৰ নামভৰ্ত্তিৰ উপযুক্ত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে।

জুলাই ০৭ - ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুলৰ ২০২৪-২৫ শিক্ষাবৰ্ষৰ বাবে নতুন ছাত্ৰ-ছাত্ৰীসকলৰ নামভৰ্ত্তিকৰণৰ বাবে।

জুলাই ০৮ - ঈশ্বৰৰ শুভবাৰ্তা নোপোৱা ভিতৰুৱা অঞ্চলৰ মানুহবিলাকৰ মাজত শুভবাৰ্তা বিলোৱা দাস সকলৰ স্বৰ্গীয় নিৰাপত্তাৰ বাবে।

জুলাই ০৯ - আমাৰ অফিচ কৰ্মী আৰু ছপাশাল কৰ্মীসকলৰ সুস্বাস্থ্যৰ বাবে।

জুলাই ১০ - এই মাহত ঈশ্বৰে আমাৰ প্ৰয়োজনীয় বস্তুবোৰ যোগায় দিবৰ বাবে।

জুলাই ১১ - দৰিদ্ৰ লোকসকলৰ আৰ্থিক অৱস্থা উন্নত কৰিবৰ বাবে।

জুলাই ১২ - আটাই দেশসমূহত ঈশ্বৰক ভয় কৰি চলাওঁতাসকলক ঈশ্বৰে আশীৰ্বাদ কৰিবৰ বাবে।

জুলাই ১৩ - ভাৰতৰ শুভবাৰ্তা নোপোৱা লোকসকলৰ মাজত শুভবাৰ্তা দিবলৈ সমৰ্থ হ'বৰ বাবে।

জুলাই ১৪ - পৃথিৱীৰ সকলো ঠাইত শান্তিৰ বাবে।

জুলাই ১৫ - আমাৰ জ্যেষ্ঠ পালকে তেওঁৰ আত্মজীৱনী লিখাত কৃতকাৰ্য হ'বৰ বাবে।

জুলাই ১৬ - আমাৰ পৰিচৰ্যাৰ বিস্তাৰৰ বাবে আৰু বিশ্বব্যাপী শুভবাৰ্তা প্ৰচাৰৰ বাবে।

জুলাই ১৭ - আমাৰ জেষ্ঠ পালক এচ চাম ছেলভা ৰাজ আৰু তেওঁৰ পৰিয়ালবৰ্গক সকলো ধৰণৰ মন্দতাৰ পৰা ঈশ্বৰে ৰক্ষা কৰি থাকিবৰ বাবে।

জুলাই ১৮ - সমগ্ৰ পৃথিৱীৰ মিচনেৰী কৰ্মীসকলক স্বৰ্গীয় নিৰাপত্তা দিবৰ বাবে।

(চতুৰ্থ পৃষ্ঠাৰ পৰা)

জীয়াই থাকিব বিচাৰিছে কিন্তু আপুনি বান্ধ খাই আছে, লৰচৰ কৰিব পৰা নাই। ভগ্ন হৃদয় লৈ চূৰ্ণ অনুভৱ কৰিছে, কেৱল ঈশ্বৰহে আপোনাৰ হৃদয়ক চিনি পায়। মানুহে কেৱল আপোনাৰ মুখৰ হাঁহিটোকে দেখি আছে; ৰাতিৰ আন্ধাৰত আপুনি বোৱাই থকা চকুলোৰ বিষয়ে কোনেও নাজানে।



**ঈশ্বৰে আপোনাৰ চকুলোক জানে!**

আপোনাক বান্ধি ৰখা প্ৰতিবন্ধবোৰৰ পৰা আৰু আপোনাৰ অগ্ৰগতিত বাধা দিয়া জটিল অৱস্থাৰ পৰা মুক্তি কৰিবলৈ ঈশ্বৰে ইচ্ছা কৰিছে। খ্ৰীষ্ট যীচুলৈ ঘুৰি আহক; তেওঁ কাৰ্যক্ৰমভাৱে প্ৰত্যেক ব্যক্তিক বন্ধনৰ পৰা মুক্তি দি আছে, এই মুহূৰ্তটো আপোনাৰ হয়, ঈশ্বৰলৈ প্ৰাৰ্থনা কৰক যাতে তেওঁ আপোনাৰ সীমাবদ্ধ কৰি ৰখা বান্ধবোৰ খুলি দিব। যি চক্ৰবোৰে আপোনাৰ যাত্ৰাক বাধাগ্ৰস্থ কৰিছিল তাৰ পৰা মুক্তি পাবলৈ আৰু অগ্ৰগতি হ'বলৈ প্ৰাৰ্থনা কৰক।

## বিলিয়ম আৰু বালাক!

গণনা পুস্তকৰ ২২ অধ্যায়ত বিলিয়ম ভাববাদীৰ কাহিনী পোৱা যায়। বাইবেল কয় যে তেওঁ যিজনক আশীৰ্বাদ দিয়ে। আশীৰ্বাদ পায় আৰু যিজনক অভিশাপ দিয়ে তেওঁ অভিশাপ পায়, গতিকে মোৱাবৰ ৰজাই তিনিবাৰ ইস্ৰায়েলসকলক অভিশাপ দিবলৈ বিলিয়মক অনুৰোধ কৰিছিল। আৰম্ভণিৰে পৰা তেওঁ জানিছিল যে এইটো



**মোৱাবৰ ৰজাই বিলিয়মক ইস্ৰায়েলবিলাকক অভিশাপ দিবলৈ অনুৰুধ কৰিছে**


ঈশ্বৰৰ ইচ্ছা নাছিল। যি কি নহওক, তেওঁ সেই গাধৰ দৰে দৰ্জাত বন্ধা হৈ আছিল। ধনলৈ বন্ধা, খ্যাতি, সম্পত্তি, ক্ষমতা, অধিকাৰ আৰু মনোযোগত। ঈশ্বৰৰ ইচ্ছা আৰু তেওঁৰ নিজ ইচ্ছা মাজত তেওঁক বিফলো হৈছিল।

প্ৰিয় বন্ধুসকল, আপুনি যদি বিলিয়মৰ দৰে বন্ধা হৈ থাকিব, তেন্তে এইটো এটা আনন্দদায়ক যাত্ৰা ন'হব। ঈশ্বৰৰ দূতে তেওঁৰ বিৰুদ্ধে এটি প্ৰতিপক্ষ হিচাবে তাৰ পথ গ্ৰহণ কৰিলে।

"পথত তেওঁক বিৰোধ কৰিবলৈ ঈশ্বৰে থিয় দিলে"। যদি আজি আপুনি আপোনাৰ পথবোৰক সলনি নকৰে, তেন্তে তেওঁ এখন তৰোৱালৰ সৈতে আপোনাৰ বিৰুদ্ধে থিয় দিব।

ঈশ্বৰে আপোনাক একত্ৰিত কৰিব বিচাৰে কিন্তু প্ৰশ্নটো হৈছে আপুনি একত্ৰিত হ'বলৈ ইচ্ছা কৰিছে নে?

## ৩) আনিবা!



ঈশ্বৰে আপোনাক একত্ৰিত কৰিবলৈ অপেক্ষা কৰি আছে যাতে তেওঁ আপোনাক ঘুৰাই আনিব পাৰিব।

যেতিয়া ঈশ্বৰে ঘুৰাই আপোনাক বিচাৰে, তেওঁ প্ৰথমতে আপোনাক সাধু বনাব আৰু পাছত তেওঁৰ ওচৰলৈ আহিব দিব, তেনে নহয়। আপুনি যিদৰে আছে তেনেকৈ আহক আপোনাৰ বেদনা, দুখ, খং, নিৰাশ, পৰাজয় আৰু অকলশৰীয়া লগত লৈ আহক।

আপোনাৰ সংঘৰ্ষবোৰক যীচু খ্ৰীষ্টই দয়া কৰে। তেওঁৰ জীৱনৰ শেষ সময়ত, অনেক

....Contd. to page 8

NEHEMIAH BIBLE
EVENING COLLEGE
Chepauk & Santhoshapuram, Chennai.
ECHO OF HIS CALL 1969-2019 GOLDEN JUBILEE
REACHING NATIONS
Medium :Tamil
Rush for admission!
Recognised by International Christian Leaders & Senior Pastors for the past 54 years
Certificate in Ministry
Diploma in Theology
Qualification : 10th Standard & above
Contact : The Chairman, Nehemiah Bible College.
10, MOHAMMED ABDULLAH 2ND STREET, BELLS ROAD, CHEPAUK, CHENNAI - 600 005, INDIA.
Phone : (+91-44) 2852 8282, Cell : (+91) 98410 71852 / 95661 31858
E.mail : sam@echoofhiscall.org / Website : www.echoofhiscall.org

## MAIN CHURCH PROGRAMMES

1. Prayer Service : 24 hours
2. **ECHO OF HIS CALL** - Monthly Magazines :English, Tamil, Malayalam, Telugu, Hindi, Kannada, Marathi, Gujarati, Bengali, Odiya, Nepali, Assamese, Punjabi, Urdu, Sinhala & Afrikan.
3. **BIBLECOR -** Basic Bible Courses (English, Tamil & Hindi)
4. Theological Correspondence Courses: English & Tamil
5. Nehemiah Bible Colleges (Chepauk, Santhoshapuram & Velachery)
6. Great Commission Partners (Network of Pastors)
7. Training Programmes – Seminars & Retreats
8. Crusades
9. Literature Distribution and Follow Up
10. Gospel Printing Press - Publications
11. St. Paul’s Matriculation School - Village English High School
12. Sunday Schools (Chepauk) : 10.30 a.m. Sunday & (Velachery, Balaji Nagar & Santhoshapuram) 3.00 p.m. Sunday
13. **Early Morning Service : 5.30 a.m. Sunday**
14. **Preliminy Service : 8.00 a.m. Sunday**
15. **Tamil Service : 8.30 a.m. Sunday**
16. **Youth Meeting : 11.00 a.m. Sunday**
17. **Fellowship Lunch : 1.00 p.m. Sunday**
18. **Hindi Service : 4.00 p.m. Sunday**
19. **Telugu Service : 5.00 p.m. Sunday**
20. **English & Hindi Service : 6.00 p.m. Sunday**
21. Feedback Time : 7.30 p.m. Sunday
22. Women’s Prayer : 5.30 p.m. Wednesday
23. Men’s Prayer : 7.00 p.m. Friday
24. Discipleship Meeting : 6.00 p.m. Saturday
25. House Meetings : 6.30 p.m. Tuesday & Thursday
26. Special Holy Communion : 6.00 a.m. 1st day of each month
27. Ministers' Meeting : 6.00 p.m. First Saturday
28. Parents’ Prayer : 4.00 p.m. First Sunday
29. Night Prayer : 9.30 p.m. Third Friday
30. Fasting Prayer : 9:30 a.m. Second Saturday
31. Holy Communion : Second Sunday Services
32. Youth / Kid Prayer : 10.00 p.m. daily (over phone)
33. Staff Devotion : 9.00 a.m. daily
34. Office : 9.00 a.m. to 9.00 p.m. (except Sundays)

## ডাক বিভাগৰ জৰিয়তে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ পাঠ্যক্ৰম কেৰল ভাৰতীয় প্ৰাৰ্থীসকলৰ বাবে

### ১। বিব্লিকৰ

বাইবেলৰ সত্যতাৰ ওপৰত ভিত্তি কৰি আমি ইংৰাজী ৫৭ পৃষ্ঠা, হিন্দী ৭৬ পৃষ্ঠা আৰু তামিলত ৯৬ পৃষ্ঠাৰ ডাক বিভাগৰ জৰিয়তে পাঠ্যক্ৰম আগবঢ়াইছো। আপোনাৰ বাবে নতুন জীৱন - নামেৰে এখন পাঠ্যক্ৰমৰ কিতাপ লাভ কৰিব। এই পাঠ্যক্ৰমৰ অন্তত, আপুনি এখন চাৰ্টিফিকেট লাভ কৰিব। ইয়াৰ বাবে কোনো নিৰ্দিষ্ট মাচুলৰ প্ৰয়োজন নহ'ব। আপুনি আশীৰ্বাদ প্ৰাপ্ত হ'ব।

### ২। থিয়'লজিকেল যোগাযোগৰ পাঠ্যক্ৰম

পালকসকল, প্ৰচাৰকসকল আৰু খ্ৰীষ্টিয়ান নেতাসকল আৰু সাধাৰণ লোকৰ বাবেও থিয়'লজিকেল যোগাযোগ পাঠ্যক্ৰম যাক উন্নত দূৰত্বৰ শিক্ষা বোলা হয়। ইংৰাজীত ৫৩৭ পৃষ্ঠাৰ আৰু তামিলত ৬৫২ পৃষ্ঠাৰ যিসকলৰ ঈশ্বৰৰ পৰিচৰ্যা কৰিবলৈ ইচ্ছুক ল'ব পাৰিব। ১০০০ টকাৰ মাচুল লোৱা হ'ব। ১৪৯ পাঠৰ ৭ খন পুস্তক পঠিওৱা হ'ব। **চাৰ্টিফিকেট ইন মিনিষ্ট্ৰি** বঁটা দিয়া হ'ব। ঈশ্বৰে আপোনাক আশীৰ্বাদ কৰক!

*অধিক জানিবৰ বাবে আমালৈ আজিয়েই লিখক*

**The Chairman, Nehemiah Bible College,**
Echo of His Call, Post Box 2957
CHEPAUK, CHENNAI - 600 005.
Ph.: (044) 2852 8282, 2852 9293, 2854 7766,
Cell : 98410 71852, 95661 31858
E.mail : biblecor@yahoo.co.in

## মাহেকীয়া আলোচনী তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি বিনামূল্য পাবলৈ এটি সুন্দৰ সুযোগ

যদিহে আপুনি আপোনাৰ বন্ধুবৰ্গৰ/আত্মীয়ৰ ঠিকনা ডাকৰ যোগেদি, পত্ৰৰ যোগেদি, ই-মেইল, হোৱাটচ এপৰ জৰিয়তে আমালৈ পঠিয়াই, আমি তেওঁলোকলৈ বিনামূল্যে তেওঁৰ আহ্বানৰ প্ৰতিধ্বনি আলোচনী পঠিয়াই দিম।

## কৰ ৰেহাই

ইখ অব হিজ কল, এডুকেচ্নেল ট্ৰাষ্টলৈ কোনো ব্যক্তিগতভাৱে অথবা সংস্থানৰ যোগেদি বৰঙণি দিলে Income Tax Actৰ চেকশ্যন 80 G দ্বাৰা কৰ ৰেহাই হ'ব। ইয়াৰ বাবে কাৰ্য্যালয়ৰ পৰা ৰচিদ দিয়া হ'ব। অনুগ্ৰহ কৰি আপোনাৰ চেক/ড্ৰাফ্ট/মণি অৰ্ডাৰ "ECHO OF HIS CALL EDUCATIONAL TRUST" নামলৈ পঠিয়াওক।

| | | |
|---|---|---|
| **Account Name** | : | **ECHO OF HIS CALL EDUCATIONAL TRUST** |
| **Account Number** | : | **1023 2923 805** |
| **Bank Name** | : | **STATE BANK OF INDIA** |
| **Branch** | : | **TRIPLICANE, CHENNAI - 600 005** |
| **IFSC Code** | : | **SBIN 0000249** |
| **SWIFT Code** | : | **SBI NIN BB 455** |



# গৰাহৰ পৰা ৰাজগৃহলৈ

## PIT TO PALACE

(পালক এচ, চাম ছেলভা ৰাজৰ জীৱনৰ অভিজ্ঞতা)

**"যিজনে পঢ়ে, তেওঁ বুজক" মথি ২৪ ঃ ১৫**

# যীচু খ্ৰীষ্ট ! - আচৰিত কৰ্ম কৰোঁতা !

**"কোনোৱে যদি মোৰ পৰিচৰ্যা কৰিব খোজে,... তেনেহ'লে মোৰ পিতৃয়ে তেওঁক সমাদৰ কৰিব" - যোহন ১২ঃ২৬**

বিভিন্ন সময়ত ঈশ্বৰে মোৰ যোগেদি মহান মহান কাৰ্যবোৰ কৰিছে। মুখ্য কাৰ্যলয়ত আৰু ইয়াৰ বাহিৰৰ পৰিচৰ্যাতো ঈশ্বৰে আচৰিত কৰ্ম আৰু আচৰিত চিনবোৰক সম্পন্ন কৰাৰ দ্বাৰাই মোক সমাদৰ কৰিছে। ইয়াৰ যোগেদি পৰিচৰ্যাৰ সুগন্ধ পৃথিৱীৰ বিভিন্ন প্ৰান্তলৈ বিয়পি গৈছে। ঈশ্বৰৰ নাম গৌৰৱান্বিত হওক।

এবাৰ মই অষ্ট্ৰেলিয়াৰ চিদনীত থকা মেলৱৰ্ন আৰু ব্ৰিচবেনত পৰিচৰ্যা কৰি থকাৰ সময়ত বহুত মানুহে ঈশ্বৰৰ মহিমাণ্ডিত স্পৰ্শক অনুভৱ কৰিছিল।

এদিন মই তাত থকা ঘৰটোলৈ অষ্ট্ৰেলিয়াৰ এহাল দম্পত্তিয়ে মোক লগ কৰিবলৈ আহিছিল। তেওঁলোকৰ চকুলো বৈছিল, তেওঁলোকে মোক কৈছিল যে বিবাহ বন্ধনত সোমোৱা ১৩ বছৰ উকলি যোৱাৰ পিছতো তেওঁলোকৰ কোনো ল'ৰা-ছোৱালী হোৱা নাই। তেওঁলোকে ইয়াকো কৈছিল যে তেওঁলোকে শান্তিপূৰ্ণভাৱে বিবাহ বিচ্ছেদ ল'বলৈ সিদ্ধান্ত লৈছে। এই বিষয়ত প্ৰাৰ্থনা কৰি দিবলৈ তেওঁলোকে মোক অনুৰোধ জনালে (তেওঁলোকৰ দেশত বিবাহ বিচ্ছেদ হোৱাটো স্বাভাৱিক বিষয়)।

মই বহুত দুখ অনুভৱ কৰিলো। গতিকে মই তেওঁলোকক সুধিলো যে মই প্ৰাৰ্থনা কৰিব পাৰিম নে যাতে ঈশ্বৰে আপোনালোকক এটি সন্তান দান কৰিব। তেওঁলোকে মোৰ কথা শুনি হাঁহিলে আৰু ক'লে, তেওঁলোকে অনেক ডাক্তৰৰ কাষ চাপিলে কিন্তু একোকে উপায় উলিয়াব নোৱাৰিলে। তেওঁলোকে মোলৈ প্ৰশ্ন কৰিলে, 'কিদৰে প্ৰাৰ্থনাই এটি সন্তান দিব পাৰিব?' তেতিয়া মই তেওঁলোকৰ লগত বহিলো বিশ্বাসৰ বিষয়ে উপদেশ দিলো ইয়াৰ ফলাফলৰ বিষয়ে ক'লো আৰু ঈশ্বৰৰ শক্তিৰ বিষয়ে ক'লো। পাছত মই আত্মাত নিৰন্তৰে তেওঁলোকৰ বাবে প্ৰাৰ্থনা কৰিলো।

ঈশ্বৰৰ প্ৰশংসা হওক! যেতিয়া মই প্ৰায় দুই মাহৰ পাছত অষ্ট্ৰেলিয়াৰ পৰা ভাৰতলৈ আঁহো বুলি বিমান বন্দৰলৈ আহি পাইছিলো, মই দেখিলো সেই একে দম্পতিয়ে মোৰ বাবে এটা ডাঙৰ উপহাৰ হাতত লৈ মোৰ ওচৰলৈ আহিলে। মই বিস্মিত হ'লো, কিয়নো তেওঁলোক প্ৰায় দহ মিনিট ধৰি বিমান বন্দৰতে কান্দি আছিল। তাত থকা আটাই মানুহবিলাকে সেই দৃশ্যটো চাই আছিল।



**ঈশ্বৰে তেওঁলোকক তিনিটা সন্তান দি আশীৰ্বাদ কৰিবলৈ।**

অৱশেষত সেই স্বামীগৰাকীয়ে মোক ক'লে যে তেওঁৰ ভাৰ্য্যা গৰ্ভৱতী হৈছে আৰু ডাক্তৰ সকলেও কথাটো সেই দিনা নিশ্চিত কৰিছে। তেওঁলোক বহুত আনন্দিত হৈছিল আৰু সেই উপহাৰৰ টোপোলাটোত বহুত ধৰণৰ উপহাৰ আছিল যেনে, মোৰ বাবে সাজ-পোছাক আৰু মোৰ পৰিচৰ্যাৰ দৰকাৰী সামগ্ৰীবোৰ। ঈশ্বৰে প্ৰথমে তেওঁলোকলৈ এজনী ছোৱালী সন্তান দান কৰিলে আৰু পাছত আৰু দুজন ল'ৰা সন্তানো দান কৰিলে।

প্ৰিয় বন্ধুসকল, ঈশ্বৰে আপোনালোকৰ জীৱনতো একে ধৰণৰ আচৰিত কৰ্ম কৰিব পাৰে। ঈশ্বৰত বিশ্বাস ৰাখক আৰু বিশ্বাসেৰে তেওঁক খোজক। তেওঁ আপোনাৰ সকলো আৱশ্যক বস্তুবোৰক যোগাব।

প্ৰভু আৰু ত্ৰাণকৰ্তা যীচু খ্ৰীষ্ট, যাৰ বিষয়ে মই এতিয়া প্ৰচাৰ কৰি আছো তেওঁ সন্তানহীন দম্পতীক সন্তান দিয়ে। ৰোগীক সুস্থ কৰে আৰু আন আন আশীৰ্বাদবোৰকো যোগায় দিয়ে। তেওঁ কালি, আজি আৰু সদাকাললৈকে একে হৈ আছে। ঈশ্বৰলৈ মহিমা হওক!

❖❖❖❖❖

---

*....Contd. from page 6*

মানুহৰ আশে-পাশে থকা সত্বেও তেওঁ গেৎ চিমানী বাৰীত অকলশৰীয়া অনুভৱ কৰিছিল। আপোনাৰ ওচৰত সম্পদ, প্ৰভাৱ আৰু খ্যাতি থাকিব পাৰে তথাপি এতিয়াও আপুনি নিৰ্জনতাৰ সৈতে যুদ্ধ কৰি আছে। ঈশ্বৰে অকলশৰীয়া হোৱাৰ গভীৰতাক বুজিব পাৰে, তেওঁ আদমৰ নিৰ্জনতাক দূৰ কৰিবলৈ হৱাক তৈয়াৰ কৰিছিল। আমাৰ মাজত অনেকেই অকলশৰীয়া হোৱাৰ অবৰ্ণনীয় যন্ত্ৰনাক লৈয়ে সন্তুষ্ট।

ঈশ্বৰে আপোনাক বিচাৰি আছে; তেওঁ আপোনাক মেলিব বিচাৰিছে যাতে তেওঁ আপোনাক তেওঁৰ ওচৰলৈ আনিব পাৰিব।

আপুনি ভগ্ন, অপমানিত, পৰাজিত হ'ব পাৰে, কিন্তু ঈশ্বৰে আজি আপোনাক মেলি দিব বিচাৰিছে।



- ❖ **যিহোৱা ভগ্নচিত্তীয়াসকলৰ ওচৰ আৰু খেদিত মন হোৱাসকলক তেওঁ পৰিত্ৰাণ কৰে (গীতমালা ৩৪ঃ১৬)।**
- ❖ **তেওঁ ভগ্ন চিত্তীয়ালোকক সুস্থ কৰে, তেওঁ তেওঁলোকৰ ঘাঁবোৰ বান্ধে (গীতমালা ১৪৭ঃ৩)।**
- ❖ **"মই উৰ্দ্ধলোকত আৰু পবিত্ৰ স্থানত বাস কৰো আৰু নম্ৰ মনৰ লোকসকলক সচেতন কৰিবলৈ, ভগ্ন চিত্তীয়াসকলৰ হৃদয় সতেজ কৰিবলৈ মই সেই ভগ্ন চিত্তীয়া আৰু নম্ৰ মনৰ লোকৰ লগতো বাস কৰো"। (যিচয়া ৫৭ঃ১৫)।**

ভগ্নতা হ'ল ঈশ্বৰৰ নতুন কিছু নিৰ্মাণৰ পূৰ্বতে আপুনি পাপৰ সৈতে বন্ধা হ'ব পাৰে। বেয়া অভ্যাস, ৰোগ, আৰ্থিক, কষ্ট, বংশধৰ অভিশাপবোৰ বা পৰম্পৰাৰ অভিশাপ হ'ব পাৰে কিন্তু ঈশ্বৰে আপোনাক মুক্তি দিব বিচাৰে কিয়নো তেওঁ আপোনাক প্ৰেম কৰে আৰু আপোনাক ঘুৰাই পাব বিচাৰে কিন্তু যদি আপুনি ভাবিছে যে আপুনি ঈশ্বৰৰ পৰা বহুত দূৰলৈ গুছি গৈছে, মনত ৰাখিব তেওঁ কৈছে, "মই তোমাক ঘুৰাই পাব বিচাৰো"। আপুনি ঘুৰি আহিব বিচাৰছেনে?



ঈশ্বৰে আপোনাৰ অতীতৰ বিষয়বোৰলৈ ধৰি নাৰাখে। ৰাহাব, মথি, চক্কেয় সকলোৰে অতীতটো বেয়া আছিল কিন্তু তেওঁলাকৰ অতীতে তেওঁলোকৰ বৰ্তমান বা ভৱিষ্যতক নিৰ্ধাৰিত নকৰিলে। ঈশ্বৰে আপোনাক বিচাৰে। কি আপুনি বিচাৰেনে যে ঈশ্বৰে আপোনাক মুক্ত কৰিব লাগে?

বহুতে চৌৰাস্তাত থিয় হৈ আছে, আজিয়েই মনক স্থিৰ কৰক আৰু তেওঁৰ ওচৰত নিজকে, সমৰ্পন কৰক।

যদি আপুনি সমৰ্পন কৰিবলৈ অস্বীকাৰ কৰে, ঈশ্বৰে আপোনাক যাব দিব কিন্তু আপুনিয়েই তাৰ পৰিনাম ভুগিব লাগিব।

মনত ৰাখক যে ঈশ্বৰে আপোনাক বিচাৰি আছে!

❖❖❖❖❖

## গীতমালা ১০৩ঃ২১-২২

হে যিহোৱাৰ বাহিনীসমূহ, যিহোৱাৰ ইচ্ছা পূৰণ কৰা, তেওঁৰ পৰিচালকসকল, তেওঁৰ ধন্যবাদ কৰা।

হে যিহোৱাৰ সকলো নিৰ্মিত বস্তু, তেওঁৰ অধীনত সকলো স্থানত তেওঁৰ ধন্যবাদ কৰা। হে মোৰ মন, যিহোৱাৰ ধন্যবাদ কৰা।


# WANTED

NEHEMIAH BIBLE COLLEGE
of ECHO OF HIS CALL, Chennai

* HINDI LANGUAGE *

**DEAN (Residential):**

Hindi Theologian with M.Div. / M.Th. Degree & experience. Boarding, Lodging and Salary will be paid. We also need deserving Hindi students.

Eligible candidates may send bio--data to:
E.mail: sam@echoofhiscall.org
WhatsApp: (+91) 98412 71858

## ছেইন্ট পৌলচ্ মেট্ৰিকুলেশ্বন স্কুল

মেডাৱাক্কাম চেন্নাই - ১০০

*এখন ইখ অফ হীজ কল প্ৰতিষ্ঠান*

- ➢ অভিজ্ঞ শিক্ষক-শিক্ষয়ত্ৰী
- ➢ উত্তম কোচিং
- ➢ খেলৰ সুশৃংখল পদ্ধতি
- ➢ অনেক খেলৰ উপকৰণ
- ➢ অঙ্কণ আৰু চিত্ৰ
- ➢ নাচ গান আৰু সাংস্কৃতিক কাৰ্যকলাপ
- ➢ উচ্চাৰিত ইংৰাজী
- ➢ স্বাভাৱিক মাচুল আৰু গঠন
- ➢ শীত তাপ নিয়ন্ত্ৰিত শ্ৰেণী কোঠা

নামভৰ্ত্তি চলি আছে!
প্ৰাক কে.জি ৰ পৰা দশম শ্ৰেণীলৈকে

এতিয়াই নথিভুক্ত কৰক!

আবেদন কৰিবলৈ অফিচলৈ আহক আমালৈ
যোগাযোগ কৰক - ফোন ঃ Ph. 963 963 1295,044 - 2278 0574


## পঢ়ুৱৈসকল মনোযোগ দিয়ক!

### পালক এচ. চাম ছেলভা ৰাজাৰ আত্মজীৱনী!

আমি পালক এচ, চাম ছেলভা ৰাজৰ আত্মজীৱনী পুস্তকৰ আকাৰত প্ৰকাশন সম্পূৰ্ণ কৰাৰ চূড়ান্ত পৰ্য্যায়ত আছো। আমি আপোনালোকৰ সাক্ষ্য বিচাৰি অনুৰোধ জনাইছো, হ'ব পাৰে দহ শাৰীত তেওঁৰ পৰিচৰ্য্যাৰ যোগেদি আত্মিক বৃদ্ধিত কি ভাবে প্ৰভাৱিত হৈছে। তাৰ বিস্তাৰিত বিৱৰণ লিখি পঠাওক। অতিৰিক্ত ভাবে আপুনি যদি আত্মজীৱনীত অন্তৰ্ভূক্তৰ বাবে এটি ছবি দিব পাৰে তেন্তে আমি আপোনাক প্ৰশংসা কৰিম।

*- সম্পাদক*

RNI.No.TNASS/2000/2335, Postal Regn.No.TN/CH/(C)/204/24-26 WPP.No.TN/PMG(CCR)/WPP-262/24-26

## Echo of His Call

### ইউ টিউব

**অনুগ্ৰহ কৰি চাবচক্ৰাইব কৰক**

যেতিয়াই আপুনি সময় পায়, দয়া কৰি চাওক আৰু তেওঁৰ আহ্বানৰ প্ৰতিধ্বনিৰ চেনেলত চাবচক্ৰাইব কৰক। ধন্যবাদ।

**- সম্পাদক**

## OUR BANK DETAILS:

### *1. Bank : State Bank of India*

Branch : **Triplicane, Chennai-5**
Name : **S. Sam Selva Raj**
A/C No. : **1023 2934 679**
IFSC : **SBIN 00 00 249**
SWIFT CODE : **SBI NIN BB 455**

### *2. Bank : ICICI Bank*

Branch : **Anna Salai, Chennai-6**
Name : **Echo of His Call**
A/C No. : **6038 0502 2319**
IFSC : **ICIC 000 6038**

### *3. Bank : State Bank of India*

**(This Account is for Tax Exemption for Indians only )**

Branch : **Triplicane, Chennai-5**
Name : **Echo of His Call Educational Trust**
A/C No. : **1023 2923 805**
IFSC : **SBIN 00 00 249**

**Google Pay: 98410 71858**
**PayPal : SAM SELVA RAJ**

*****

**E.mail : sam@echoofhiscall.org**

## তেওঁৰ আহবানৰ প্ৰতিধ্বনি

**১৬ টা ভাষাত মাহেকীয়া আলোচনী, বাইবেল কলেজ, ডাকযোগে পাঠ্যক্ৰম, মণ্ডলী স্থাপন কাৰ্য, গ্ৰাম্য ইংৰাজী হাইস্কুল, ছপাশাল, প্ৰাৰ্থনা সভা, শুভবাৰ্তামূলক সভা, সামাজিক সেৱা ইত্যাদি**

বাৰ্ষিক বৰঙণি ১০০/- টকা    জীৱিত বৰঙণি ২০০০/- টকা

The multifarious activities of **Echo of His Call Ministries** are supported by the free-will offerings and donations of God's children like you. You may support **Echo of His Call** and its activities as the Lord leads you. We need your help to send forth the Gospel to the unreached people and plant Churches.

If you would like to receive **ECHO OF HIS CALL** magazines regularly, please write to us with your e.mail Id and Cell Phone number. Whenever you change your postal or e.mail addresses, please do inform us your old and new addresses.

**Echo of His Call** is available in 16 languages in our website also. You can read them by going into the site as well as downloading them and get blessed.

Your letters, prayer requests and your financial helps (**Money Orders, Cheques or Demand Drafts, NEFT, PayPal (Sam Selva Raj, sam@echoofhiscall.org) PhonePe (98410 71858), Gpay (98410 71858), Western Union, MoneyGram, etc.**) to **ECHO OF HIS CALL** may please be sent to the address below.

Please send your **Land Phone / Mobile Phone Numbers and E.mail addresses** for updation.


## ECHO OF HIS CALL

10, MOHAMMED ABDULLAH 2ND STREET, CHEPAUK, CHENNAI - 600 005, INDIA
PH: (+91-44) 2852 8282, 2852 9293, 2854 7766/ Cell: (+91) 98410 71852, 95661 31858 / E.mails: sam@echoofhiscall.org / biblecor@yahoo.co.in
Websites: www.echoofhiscall.org / www.stpaulsmatriculation.com


**YOU CAN SEND YOUR DONATION ONLINE ALSO**


Regd. with the RNI under No. TNASS/2000/2335
Licenced to post without pre-payment
Postal Regn. No. TN/CH (C) /204/24-26
Licence No. WPP. No. TN/PMG(CCR)/WPP-262/24-26
Date of Publication: Second week of every month
Date of Posting : 11th & 12th of every month
Posted at "Egmore RMS / 1 Patrika Channel"
on 12th JUNE 2024
If un-delivered please return to:
**ECHO OF HIS CALL (ASSAMESE)**
P.O. Box No. 2957, Chepauk, Chennai - 600 005, INDIA.
Phone: (+ 91- 44) 2852 8282, 2852 9293, 2854 7766


*JESUS LOVES YOU!*

To

*GOD BLESS YOU!*

Owned and published by **S. Sam Selva Raj** from New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005 and printed by **S. Sam Selva Raj** at **Echo of His Call Printers,** New No. 8 & 10, Old No.18 & 19, Mohammed Abdullah 2nd Street, Chepauk, Chennai-600 005. Editor: **S. Sam Selva Raj.**